# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-09-2026
**Time :** 1715 HRS

# *Assamese Evening Bulletin*
———————————————————

১। নগাঁও লোকসভা উপ নিৰ্বাচনৰ বাবে বিজেপি, কংগ্ৰেছ আৰু এ আই ইউ ডি এফ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে কাইলৈৰ পৰা সেৱা সমৰ্পন মাহ পালন।

৩। শোণিতপুৰৰ দুজন গৱেষকে উদ্ভাৱন কৰা গো মূত্ৰৰ কীটনাশকলৈ কেন্দ্ৰীয় চৰকাৰৰ পেটেণ্টৰ স্বীকৃতি।

*আৰু*

৪। এছিয়ান গেমছত পুনৰ পদক জয় কৰিব পাৰিব বুলি লাভলীনা বৰগোহাইৰ আশা প্ৰকাশ।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনা সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মা, কংগ্ৰেছ প্ৰাৰ্থী, প্ৰাক্তন বিধায়ক শিৰামণি বৰা, এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমল আৰু তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল চালামে মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থীসকলে দলীয় নেতা-কৰ্মীসকলক লগত লৈ নগাঁও জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ সৈতে মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰে।

*বাইট-পিয়ুষ*

কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে। কংগ্ৰেছৰ সভাপতিগৰাকীয়ে এই নিৰ্বাচনক লৈ আশাবাদী বুলি প্ৰকাশ কৰে।

*বাইট-গৌৰৱ গগৈ*

এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও আজি মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁ ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰে। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিয়ে। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্দিয়াৰ বিধায়ক চেৰমান আলি আহমেদ উপস্থিত থাকে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন তথা একেৰাহে মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰূপে ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কাইলৈৰ পৰা অহা ১৭ অক্টোবৰলৈ সেৱা সমৰ্পন মাহৰ আয়োজন কৰা হৈছে। এই সময়ছোৱাত কুইজ, আবৃত্তি প্ৰতিযোগিতাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে কাইলৈ সন্ধিয়া মাটিৰ চাকি জ্বলাবলৈ অসমবাসীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে আহ্বান জনাইছে। অসমৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে অৰিহণা আগবঢ়োৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই অৱদানৰ স্বীকৃতি স্বৰূপে প্ৰধানমন্ত্ৰী মোদীক সন্মান প্ৰদৰ্শন কৰিবলৈ তেওঁ আহ্বান জনায়।

*বাইট ঃ মুখ্যমন্ত্ৰী*

০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ শ্ৰীভূমি জিলাত বিধানসভা সমষ্টিভিত্তিত যুৱক-যুৱতীসকলৰ সংস্থাপনৰ লক্ষ্যৰে প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে পুঁজি বিতৰণৰ লগতে অন্যান্য সুবিধা প্ৰদান কৰা হ'ব। উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ বাবে শ্ৰীভূমি চহৰৰ জিলা গ্ৰন্থাগাৰ ভৱনত, দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ বাবে নিলামবজাৰ মহাবিদ্যালয়ত, পাথাৰকান্দি সমষ্টিৰ বাবে হাতীখিৰা নাচঘৰত আৰু ৰামকৃষ্ণ নগৰ সমষ্টিৰ বাবে ৰামকৃষ্ণ নগৰ মহাবিদ্যালয়ত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে যুৱক-যুৱতীসকলক আত্মসংস্থাপন তথা ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে উৎসাহিত কৰিবলৈ ২ ৰ পৰা ৫ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদান কৰা হয়।

০০০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড° ৰবীন কুমাৰ দত্ত আৰু গহপুৰৰ ড° ঋতুপৰ্ণ শইকীয়াৰ উদ্ভাৱনে কেন্দ্ৰীয় চৰকাৰৰ পেটেণ্ট লাভ কৰিছে। গো মূত্ৰক মূল্য সংযোজন কৰি তৰল সাৰ হিচাপে ব্যৱহাৰৰ বাবে উদ্ভাৱন কৰা প্ৰযুক্তিটোৱে পেটেণ্টৰ স্বীকৃতি লাভ কৰে।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালন কৰা হ'ব। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ জুবিন দিৱস উদযাপন কৰা হ'ব। কাইলৈ সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, পৰহিলৈ সাংস্কৃতিক অনুষ্ঠান, ১৯ ছেপ্তেম্বৰত গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনাৰ ব্যৱস্থা কৰা হ'ব।

০০০০০

বিটিচিৰ নতুন ভূমি নীতিৰ পুনৰীক্ষণৰ বাবে সিদ্ধান্ত লোৱা হৈছে আৰু ইয়াৰ বাবে বিভাগীয় বিষয়া কৰ্মচাৰীক দায়িত্ব অৰ্পন কৰা হৈছে। কোকৰাঝাৰৰ বডোফা নগৰত থকা বিটিচিৰ সচিবালয়ত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্যকৰী পৰিষদৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। এই নতুন ভূমি নীতিক কেন্দ্ৰ কৰি সামাজিক মাধ্যমৰ লগতে জনসাধাৰণৰ মাজত বিভিন্ন আপত্তি আৰু সমালোচনা কৰাৰ পাছতে আজিৰ বৈঠকত এই বিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰি পুনৰীক্ষণৰ সিদ্ধান্ত লোৱা হয় বুলি শ্ৰীমহিলাৰীয়ে উল্লেখ কৰে। বৈঠকত বিটিচিৰ বন বিভাগে পূৰ্বৰ ইউ পি পি এল চৰকাৰৰ দিনত বিভিন্ন বৰ্গত নিযুক্তি দিয়াৰ বাবে আয়োজিত পৰীক্ষাৰ পিছত ৪১৪টা পদৰ ভিতৰত ৩৯৪টা পদৰ পৰীক্ষা নিৰীক্ষা চূড়ান্ত কৰা হয়। উত্তীৰ্ণ প্ৰাৰ্থীসকলক কাইলৈৰ পৰা নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। ইপিনে, পূৰ্বৰ চৰকাৰৰ দিনত বিটিচিৰ বিভিন্ন বিভাগত নিযুক্তিৰ বাবে অনুষ্ঠিত এহেজাৰ ৭০০তকৈ অধিক পদৰ সাক্ষাৎকাৰ বিভিন্ন আসোঁৱাহৰ বাবে বৈ যোৱাৰ পৰিপ্ৰেক্ষিতত এই ফলাফল সম্পূৰ্ণৰূপে বাতিল কৰি পুনৰ নতুন বিজ্ঞাপনেৰে সাক্ষাৎকাৰৰ আয়োজন কৰা হ'ব বুলি বিটিচি প্ৰধানগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে

বড়োলেণ্ড বিশ্ববিদ্যালয়ত কেতবোৰ নতুন বিভাগ প্ৰৱৰ্তনৰ উপৰি নেপালী, বাংলা আৰু হিন্দী বিষয় ৩টা এম আই এল হিচাপে আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ব বুলিও জানিবলৈ দিয়ে।

০০০০০

যোৰহাট জিলা স্বাস্থ্য সমিতি আৰু অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ যৌথ উদ্যোগত আজি যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ত ৬০ দিনীয়া আই ই চি অভিযানৰ শুভাৰম্ভ কৰা হয়। এই অভিযানৰ মূল উদ্দেশ্য হৈছে এইচ আই ভি - এইডছ প্ৰতিৰোধ, প্ৰাৰম্ভিক পৰ্যায়ত এই ৰোগৰ পৰীক্ষা তথা এই ৰোগক লৈ সমাজত থকা কুসংস্কাৰসমূহ দূৰ কৰা। এই অভিযানৰ অধীনত জিলাখনৰ এশখন গাওঁ, ৪০ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ২০ খন মহাবিদ্যালয় সামৰি লোৱা হ'ব। আজি উদ্বোধনী অনুষ্ঠানত যোৰহাট জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভক্তিমা ভট্টাচাৰ্য্য, জিলা কুষ্ঠৰোগ বিষয়া ডাঃ নন্দিতা দেৱীকে ধৰি আন কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০

কাৰ্বি আংলঙৰ ডিফুত আজি কাৰ্বি পুৰোহিতসকলৰ সংগঠন **কাৰ্বি কুৰুচাৰ চিংৰুম আমেইৰ** অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তৰ শতাধিক কাৰ্বি পৰম্পৰাগত পুৰোহিতে অংশগ্ৰহণ কৰা এই সন্মিলনত খিলঞ্জীয়া জনজাতিৰ বিশ্বাস আৰু সংস্কৃতিৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী উপস্থিত থাকে। মন্ত্ৰী শ্ৰীদৈমাৰীয়ে কাৰ্বি পুৰোহিতসকলক কাৰ্বিৰ কলাকৃষ্টিৰ বাহক বুলি উল্লেখ কৰে। অনুষ্ঠানত কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ লগতে আন কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

অহা ১৯ ছেপ্তেম্বৰৰ পৰা জাপানত হ'বলগীয়া এছিয়ান গেমছত পদক অৰ্জন কৰিব বুলি বক্সাৰ লাভলীনা বৰগোহাইয়ে আশাপ্ৰকাশ কৰিছে। জাপানত কঠোৰ অনুশীলন চলাই থকা লাভলীনাই আজি সামাজিক মাধ্যম যোগে এছিয়ান গেমছত পদক অৰ্জনৰ দৃঢ়তা প্ৰকাশ কৰে। বিগত এছিয়ান গেমছত লাভলীনাই ৰূপৰ পদক দখল কৰিছিল। এইবাৰো তেওঁ পদক জয় কৰিব পাৰিব বুলি আশাপ্ৰকাশ কৰে।

০০০০০

**সমাপ্ত**